# Course Code : ECNHC-403 (Honours/ Core)

## Course Title : Introductory Econometrics

## Unit - I

**1. Definition of Econometrics?**

**<u>Explanation:</u>**

অৰ্থবিজ্ঞানৰ বিভিন্ন বিশেষ বিভাগসমূহৰ ভিতৰত এক অন্যতম প্ৰধান ভাগ হৈছে Econometrics। Econometrics শব্দটো গ্ৰীক ভাষাৰ দুটা শব্দ- 'Oukovouia' আৰু 'Uetpov' ৰ পৰা আহিছে। 'Oukovouia' শব্দৰ অৰ্থ হৈছে Economy আৰু 'Uetpov' শব্দৰ অৰ্থ হৈছে Measure। গতিকে চমুকৈ ক'বলৈ হ'লে Econometrics হৈছে অৰ্থবিজ্ঞানৰ সেই বিশেষ ভাগ য'ত অৰ্থনীতিৰ বিভিন্ন চলকসমূহৰ মাজত থকা আন্তঃসম্পৰ্কৰ বিশ্লেষণ আৰু পৰিমাপ কৰা হয়।

Econometrics নামটো প্ৰথমে 1926 চনত নৰৱে'ৰ অৰ্থনীতিবিদ Ragnar Frisch-এ অন্তৰ্ভুক্ত কৰিছিল। বিখ্যাত গৱেষণা আলোচনী Econometrica ৰ প্ৰথম সম্পাদক Ragnar Frischৰ মতে "the mutual penetration of quantitative economic theory and statistical observation is the essence of Econometrics"।

অধ্যাপক Tinbergen ৰ মতে "Econometrics is the name for a field of science in which mathematical economics and mathematical- statistical research are applied in combination"।

গতিকে আন্তঃসম্পৰ্কিত অৰ্থনৈতিক প্ৰাচল বা চলকসমূহৰ মাজৰ আন্তঃসম্পৰ্ক বিশ্লেষণ আৰু ইয়াৰ পৰিমাপৰ উদ্দেশ্যে অৰ্থবিজ্ঞান, গণিত আৰু পৰিসংখ্যা বিজ্ঞানৰ ধাৰণাসমূহৰ সংমিশ্ৰণৰ জৰিয়তে কৰা বিশ্লেষণ পদ্ধতিয়েই হ'ল Econometrics। চমুকৈ ক'বলৈ হ'লে-

Economics + Mathematics = Mathematical Economics.

Mathematical Economics + Statistics = Econometrics.

গতিকে Econometrics হ'ল অৰ্থবিজ্ঞানৰ সেই ভাগ য'ত গাণিতিক অৰ্থবিজ্ঞানৰ ভিন্ ভিন্ ধাৰণা বা বিষয়সমূহৰ বিশ্লেষণত পৰিসংখ্যা বিজ্ঞানৰ বিভিন্ন পদ্ধতিসমূহৰ প্ৰয়োগ কৰা হয়।

<u>Probable Question :</u>

1. Define Econometrics.

××××××